# ঈশ্বৰৰ লোকসকলে শুকান মাটিয়েদি চুফ সাগৰ পাৰ হৈছিল


**প্ৰাৰ্থনা ঃ** মৰমিয়াল প্ৰভু, প্ৰত্যেকজন সন্তানকে তুমি এই কথা শিকিবলৈ সহায় কৰা যে তোমাৰ বাক্য কেৱল মানুহৰ মনৰ ভাব নহয়, কিন্তু আমি যি বিশ্বাস কৰো সেই সকলো মহৎ বুৰঞ্জীমূলক ঘটনাৰ পৰাহে হোৱা কথা।

ল'ৰা-ছোৱালীবিলাকে শিকিবলগীয়া কামবোৰৰ যিকোনো এটি বাচি লওক।

এজন ডাঙৰ ল'ৰা বা শিক্ষকক মোচিয়ে চুফ সাগৰ পাৰ হোৱা বিষয়ে পঢ়ি বা মুখস্থ কৰি ক'বলৈ দিয়ক। যাত্ৰাপুস্তক ১৪ অধ্যায়ত ঈশ্বৰে কেনেকৈ তেওঁৰ লোকসকলক দাসত্বৰ পৰা অনেক মহান আশ্চৰ্য্য কাৰ্য্যৰ যোগেদি মুকলি কৰিছিল, সেই বিষয়ে লিখা আছে।

কাহিনীটো কোৱাৰ পাচত এই প্ৰশ্নবিলাক সোধক *(উত্তৰবোৰ প্ৰত্যেক প্ৰশ্নৰ পিচতে দিয়া আছে।)*

- ইস্ৰায়েলসকলে মিচৰ দেশ এৰি যোৱাৰ পাচত মিচৰীয়াসকলে তেওঁলোকক ক'ত লগ পাইছিল? *(যাত্ৰাপুস্তক ১৪ঃ৯ পদ চাওক)*
- ইস্ৰায়েল সকলৰ হৈ যুঁজ কৰিম বুলি কোনে প্ৰতিজ্ঞা কৰিছিল? *(১৪ পদ চাওক)*
- সেই ৰাতি ঈশ্বৰে কেনেকৈ ইস্ৰায়েলসকলক মিচৰীয়াসকলৰ পৰা পৃথক কৰিছিল? *(১৯-২০ পদ চাওক)*
- মোচিয়ে যেতিয়া তেওঁৰ হাত দুখন সাগৰৰ ফালে মেলি দিছিল তেতিয়া কি হৈছিল? *(২১ পদ)*
- ইস্ৰায়েল সকলে কি ধৰণে চুফ সাগৰ পাৰ হৈছিল? *(২২ পদ চাওক)*
- তেওঁলোকক খেদি যোৱা মিচৰীয় সৈন্যসকলৰ কি হৈছিল? *(২৮ পদ চাওক)*



যাত্ৰাপুস্তক ১৪ অধ্যায়ৰ পৰা চুফ সাগৰ পাৰ হোৱা সম্পৰ্কে নাটক কৰি দেখুৱাওক।

- সমজুৱা উপাসনাৰ চলাওঁতাজনৰ লগত বন্দবস্ত কৰি ল'ৰা-ছোৱালীবিলাকক এই নাটকখন কৰি দেখুৱাব দিয়ক।
- নাটকখন যুগুত কৰিবৰ বাবে আপোনাৰ কিছুসময় এই ল'ৰা-ছোৱালীবিলাকৰ লগত ব্যৱহাৰ কৰক।
- সকলো অংশ ব্যৱহাৰ নকৰিলেও হ'ব।
- ডাঙৰ বিলাকে সৰু বিলাকক যুগুত কৰিবলৈ সহায় কৰিব দিয়ক।

ডাঙৰ ল'ৰা-ছোৱালী বা বয়সীয়াবিলাকক এইবোৰ মানুহৰ চৰিত্ৰ ৰূপায়ন কৰিবলৈ দিয়ক ঃ

**বৰ্ণনাকাৰী ঃ** গল্পটো চুটিকৈ ক'ব আৰু ল'ৰা-ছোৱালীবিলাকে কি ক'ব লাগে, কি কৰিব লাগে সেই কথা মনত ৰখাত সহায় কৰক।

**মোচি ঃ** লাখুটিৰ বাবে এডাল দীঘল লাঠি হাতত লয়।

**ফৰৌণ ঃ** মুকুটৰ বাবে বস্তা এটা ওলোটাকৈ মূৰত সোমাই লয়।

সৰু ল'ৰা-ছোৱালীবিলাকক এইবোৰ মানুহৰ চৰিত্ৰ ৰূপায়ন কৰিবলৈ দিয়ক ঃ

**মিচৰীয়া সৈন্য ঃ** ৰথ বুজাবলৈ ব্যৱহাৰ কৰা চকীৰ ওপৰত থিয় হৈ থাকে।

**ঘোঁৰাবোৰ ঃ** হাত আৰু আঠুৰ ওপৰত ভৰি তললৈ কৰি ৰথবোৰৰ আগত থাকে। ঘোঁৰাৰ দৰে মাত দিয়ে।

**ইস্ৰায়েলসকল ঃ** বিমোৰত পৰা যেন দেখা যায়।

**ভেৰা ঃ** হাত আৰু ভৰিৰে আগুৱাই যায় আৰু ভেৰাৰ দৰে মাত দিয়ে।

**চুফ সাগৰ ঃ** পানীৰ বেৰ বুজাবলৈ হাতবোৰ ওপৰলৈ উঠাই ৰাখে।

**বৰ্ণনাকাৰী ঃ** যাত্ৰাপুস্তক ১৪ঃ১-২০ পদৰ পৰা গল্পটোৰ প্ৰথম ভাগ কয়। কয় "ফৰৌণে কি কৈছে শুনা।"

**ফৰৌণ ঃ** "সৈন্যসকল, আমাৰ ইস্ৰায়েলী বন্দীসকল পলাইছে, তোমালোকৰ ৰথবোৰ লৈ আহাঁ। সিহঁতৰ পিচত যোৱা।"

**মিচৰীয়া সৈন্যসকল ঃ** 'ৰথবোৰত' থিয় হয়। ঘোৰাবোৰক চাবুকেৰে কোবোৱাৰ ভাও ধৰে। ঘোঁৰাবোৰক কয়, "বেগাই যা মিচৰীয় বিলাকক ধৰগৈ। সিহঁতে সাগৰৰ পাৰত লাগি আছে। সিহঁতে পলাব নোৱাৰে।"

**ইস্ৰায়েলসকল ঃ** "আমি লাগি ধৰিলো!" "আমি ইয়াতে মৰিম!" "ঈশ্বৰ, আমাক সহায় কৰক" আদি চিঞঁৰি কয়।

**ভেৰা ঃ** ভেৰাৰ মাত মাতে।

**ইস্ৰায়েলসকল ঃ** "চোৱা! ঈশ্বৰৰ অগ্নিস্তম্ভ আমাৰ আৰু সৈন্যসকলৰ মাজত গৈ আছে। এতিয়া নিশাৰ আন্ধাৰত সিহঁতে আমাক দেখা নাপায়।"

**বৰ্ণনাকাৰী ঃ** যাত্ৰাপুস্তকৰ ১৪ঃ২১-৩১ পদৰ পৰা কাহিনীটোৰ দ্বিতীয় অংশখিনি কয়।

**চুফ সাগৰ ঃ** সাগৰৰ মাজেদি পথ বনাবলৈ দু শাৰীত থিয় দিয়ে।

**বৰ্ণনাকাৰী ঃ** "মোচিয়ে কি কৈছে শুনা।"

**মোচি ঃ** আমাৰ লাখুটিডাল চুফ সাগৰৰ পিনে তুলি ধৰা আৰু কোৱা, "প্ৰভুৱে আমাৰ কাৰণে যুঁজ কৰিব, চোৱা বতাহে কেনেকৈ সাগৰখন দুভাগ কৰিছে। তোমালোকে শুকান মাটিয়েদি পাৰ হৈ যাবা।"

**চুফ সাগৰ ঃ** তোমাৰ হাত দুখন ওপৰলৈ ডাঙা আৰু বাটটোৰ পৰা মুখখন আঁতৰাই ৰাখা।

**ইস্ৰায়েলসকল আৰু ভেৰা ঃ** সাগৰৰ মাজেদি বাটটোৰে খোজ কাঢ়ি যায়। দুয়োকাষলৈ চায়। ইস্ৰায়েলসকলে চিঞঁৰে। "আমাৰ দুয়োফালে থকা পানীৰ ওখ বেৰখনলৈ চোৱা!" ভেৰাই ভেৰাৰ মাত কৰে।

**ফৰৌণ ঃ** চোৱা! বতাহে সাগৰত বাট নিৰ্মাণ কৰিলে। সিহঁতৰ পিচে পিচে যোৱা!"

**মিচৰীয় সৈন্যসকল আৰু ঘোঁৰাবোৰ ঃ** ইস্ৰায়েলসকলক অনুসৰণ কৰে। সৈন্যসকলে তেওঁবিলাকৰ ৰথবোৰৰ পৰা জাপ মাৰে আৰু সিহঁতৰ ঘোঁৰাবোৰৰ পিছে পিছে যায়। সাগৰত থকা সময়ত চিঞঁৰ মাৰে "কি হৈছে?" "মোৰ ৰথৰ চকাবোৰ সুলকি গ'ল।" "মোৰ ৰথখন লাগি থাকিল।" "পানীখিনি ঘুৰি আহিছে! আমি ডুবি মৰিম।" ঘোঁৰাবোৰে ঘোঁৰাৰ মাত দিয়ে আৰু পৰি মৰি যায়। মিচৰীয় সৈন্যবিলাক পৰি যায় আৰু মৰাৰ দৰে থৰ হৈ পৰি থাকে।


**চুফ সাগৰ ঃ** মিচৰীয় সৈন্যসকলৰ আৰু ঘোঁৰাবোৰৰ ওপৰত পৰে।

**ইস্ৰায়েল সকল ঃ** "আমাৰ ঈশ্বৰে তেওঁৰ মহান শক্তিৰে আমাক ৰক্ষা কৰিলে!"

**বৰ্ণনাকাৰী বা ডাঙৰ ল'ৰা ঃ** নাটকখন হৈ যোৱাৰ পিচত যিবিলাকে সহায় কৰিলে তেওঁবিলাকক ধন্যবাদ জনায়।

যদি ল'ৰা-ছোৱালী বিলাকে এই কাহিনীটো ডাঙৰ বিলাকৰ বাবে নাটক কৰি দেখুৱাই তেনেহ'লে ওপৰত দিয়া প্ৰশ্নবিলাক ডাঙৰবিলাকক সুধিবলৈ দিয়ক।

**আলোচনা ঃ** প্ৰভুৱে তেওঁৰ লোকসকলক চয়তানৰ শক্তিৰ পৰা ৰক্ষা কৰা আন উপায়বোৰৰ উদাহৰণ ল'ৰা-ছোৱালীবোৰক ক'বলৈ দিয়ক।



ৰথৰ ছবি এখন আঁকক। ল'ৰা-ছোৱালীবিলাকক চাই চাই আঁকিবলৈ দিয়ক। তেওঁবিলাকে এই ছবিবোৰ পিচৰ উপাসনাৰ সময়ত দেখুৱাব পাৰে আৰু ঈশ্বৰৰ শক্তিয়ে কেনেকৈ জগতৰ যিকোনো শক্তিক পৰাভূত কৰিব পাৰে এই বিষয়ে ছবিৰ  দ্বাৰাই বুজাই দিব পাৰে।

**মুখস্থ কৰিব ঃ** ফিলিপীয়া ৪ঃ১৩ পদ।

**কবিতা ঃ** তিনিজন ল'ৰা-ছোৱালীৰ প্ৰত্যেককে গীতমালা ১৫ঃ১,২ আৰু ১১ পদৰ এটাকৈ মুখস্থ ক'ব দিয়ক।

ঈশ্বৰে কেনেকৈ তেওঁৰ লোকসকলক মিচৰৰ দাসত্বৰ পৰা বা তেওঁ আজি আমাক কেনেকৈ পাপৰ দাসত্বৰ পৰা ৰক্ষা কৰে সেই বিষয়ে ডাঙৰ বিলাকক কবিতা, গান বা নাটক লিখিবলৈ দিয়ক।

**প্ৰাৰ্থনা ঃ** "মৰমিয়াল প্ৰভু, তুমি মহান আৰু শক্তিমান। তুমি মিচৰীয়া ঘোঁৰাবোৰক আৰু ঘোঁৰাত উঠাবোৰক সাগৰত পেলাই দিছিলা। দাস হৈ কষ্ট পাই থকা তোমাৰ লোকবিলাকৰ কথা তুমি শুনিছিলা আৰু ৰক্ষা কৰিছিলা। তোমাক ধন্যবাদ দিওঁ। কিয়নো আমি যেতিয়া প্ৰাৰ্থনা কৰোঁ, তুমি আমাৰ প্ৰাৰ্থনা শুনা।"

Copyright 2003 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net